**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

—————————————————

## HEADLINE

১। অহা নৱেম্বৰৰ পৰা জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প কাৰ্যক্ষম হৈ উঠিব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম পৰ্যায়ৰ বাৰ্ষিক অনুদান মুকলি।

৩। অম্বুবাচী মেলা উপলক্ষে কামাখ্যা ধামত দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ সাধু-সন্ন্যাসী তথা ভক্তিপ্ৰাণ ৰাইজৰ সমাগম।

৪। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন। *আৰু*

৫। নৱৰে, ফ্ৰান্স আৰু আৰ্জেণ্টিনাৰ ৰাউণ্ড অব্ থাৰ্টী টু পৰ্যায়ত প্ৰৱেশ। ১৮টা গ'লেৰে বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক গ'লদাতা হিচাপে লিঅ'নেল মেচীৰ অভিলেখ।

000000

অহা নৱেম্বৰৰ পৰা জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প কাৰ্যক্ষম হ'ব। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীৰ এটা অনুষ্ঠানত এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পত প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপ্‌চ উৎপাদন হ'ব। এই চিপ্‌চসমূহ ভিন্ন দেশলৈ ৰপ্তানি কৰা হ'ব। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰী ডº শৰ্মাই কয়, যে বিগত এটা দশকত ৰাজ্যখনত আমোল পৰিৱৰ্তন পৰিলক্ষিত হৈছে। অসম এতিয়া দেশৰ অন্যতম দ্ৰুত উন্নতশীল ৰাজ্য হিচাপে বিবেচিত হৈছে বুলি উল্লেখ কৰি ডº শৰ্মাই কয়, যে ইয়াৰ ফলত ৰাজ্যখন গোলকীয় বিনিয়োগৰ অন্যতম লক্ষ্য হৈ পৰিছে। দক্ষিণ পূব এছিয়াৰ প্ৰৱেশদ্বাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদক লৈ ভাৰতৰ বিকাশ যাত্ৰাত অসমে মুখ্য ভূমিকা গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে।

**ৰাইট (চি এম)**

000000

ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম পৰ্যায়ৰ বাৰ্ষিক অনুদান মুকলি কৰি দিয়া হৈছে। সমগ্ৰ শিক্ষা অসমৰ তৰফৰ পৰা জিলা সমন্বয়সকললৈ এই সন্দৰ্ভত কেতবোৰ নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। এই নিৰ্দেশনা অনুসৰি এ পি ডি চি এলক বিদুৎ মাচুল পৰিশোধত সৰ্বাধিক অগ্ৰাধিকাৰ দিবলৈ কোৱা হৈছে। মুঠ অনুদানৰ ১০ শতাংশ ধন বিদ্যালয়সমূহে স্বচ্ছতা কাৰ্য পৰিকল্পনা শিতানত ব্যয় কৰাটো বাধ্যতামূলক কৰা হৈছে। একেদৰে বিদ্যালয়সমূহক উচিত অনাময় ব্যৱস্থাৰ লগতে বিশুদ্ধ খোৱাপানী, হাত ধোৱাৰ সুবিধা, পৰিৱেশ উন্নত কৰা আদি বিষয়ক লৈ স্বচ্ছতা কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সপ্তাহৰ যিকোনো এটা দিন স্বচ্ছতাৰ দিন হিচাপে নিৰ্ধাৰণ কৰিবলৈ কোৱা হৈছে।

000000

কালি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। আজিৰেপৰা পৰহিলৈকে কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত কালিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হৈছে। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে। ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰয়াস কৰিছে।

অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভুতনাথ শ্মশান প্ৰাঙ্গণত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আজি প্ৰতিষ্ঠা দিৱস। মহাৰজত জয়ন্তীৰ বৰ্ষত ভৰি দিয়া এই পৰিষদ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিৰ অধীনত ১৯৫২ চনৰ ২৩ জুনত গঠন কৰা হৈছিল। এই উপলক্ষে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙে কাৰ্বি জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। আঞ্চলিক স্বায়ত্তশাসন, সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ বাবে গঠন কৰা এই পৰিষদৰ জৰিয়তে থলুৱা জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ আৰু চহকী ঐতিহ্যক সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে নিহিত হৈ আছে। ১৯৯৫ চনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক অধিক ক্ষমতা প্ৰদান কৰা হয়। কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ থলুৱা জনগোষ্ঠীৰ সৰ্বাত্মক বিকাশ আৰু সুৰক্ষিত ভৱিষ্যতৰ বাবে এই পৰিষদৰ জৰিয়তে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ইফালে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড০ ৰংহাঙৰ নেতৃত্বত পৰিচালিত ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সমিতিত কাদম টেৰাংপি আৰু হেডছিং ৰংফাৰক কাৰ্যবাহী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। লোকভৱনৰ পৰা জাৰি কৰা এখন জাননীত চৰকাৰৰ দ্বাৰা মনোনীত সদস্য মুকুট মহন্তৰ নাম কৰ্তন কৰি দৰছিং ৰংহাঙক স্থলাভিষিক্ত কৰা হৈছে। উল্লেখযোগ্য যে কাদম টেৰাংপি আৰু হেডছিং ৰংফাৰক কাৰ্যবাহী সদস্য হিচাপে নিযুক্তি দিয়াৰ লগে লগে কাৰ্বি স্বায়ত্তশাসিত পৰিষদত কাৰ্যবাহী সদস্যৰ সংখ্যা ১৪ৰ পৰা ১৬লৈ বৃদ্ধি পালে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা  কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইট sebaonline.org  ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে এইবাৰৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাত ৬৪ হাজাৰ ৫০গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব। এখন চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ৭টা

পদ্মভূষণ আৰু ৫৬টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ৬৫টা পদ্ম বঁটা প্ৰদান কৰিব। পদ্ম বঁটাৰ বাবে নিৰ্বাচিত বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত টেনিছ তাৰকা বিজয় অমৃতৰাজ, অভিনেতা মামুট্টি, কণ্ঠশিল্পী অলকা য়াগনিক, ক্ৰিকেটাৰ ৰোহিত শৰ্মা অন্যতম। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা চৰকাৰে ২০২৬ বৰ্ষৰ বাবে ৫টা পদ্ম বিভূষণ বঁটাকে ধৰি মুঠ ১৩১টা পদ্ম বঁটাৰ বাবে নিৰ্বাচিত ব্যক্তিৰ নাম ঘোষণা কৰিছিল। উল্লেখযোগ্য যে কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতিবছৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান হিচাপে এই পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০০

কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ সৌজন্যত কালি বিশ্বনাথ জিলাৰ বিহালী স্নাতক মহাবিদ্যালয়ত কাৰ্যক্ষমতা বৃদ্ধি আৰু ক্ষীপ্ৰকৰণ শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত বিহালী সমজিলাত থকা উদ্যোগীসকলক আত্মনিৰ্ভৰশীল কৰাৰ লগতে এই ক্ষেত্ৰত থকা বিভিন্ন চৰকাৰী আঁচনি, বেংকৰ সুবিধা, উৎপাদিত সামগ্ৰীৰ বিপণন আদি বিভিন্ন দিশ সামৰি বিশদভাৱে আলোচনা কৰা হয়। কৰ্মশালাত শতাধিক উদ্যোগীয়ে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত সবিশেষ জনাইছে বিশ্বনাথ জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহকাৰী সঞ্চালক ঐছিক ডেকাই।

**বাইট**

০০০০০০

গুৱাহাটীৰ পৰা বিশ্বৰ অন্যতম বাণিজ্যিক আৰু পৰ্যটন ক্ষেত্ৰ ডুবাই আৰু আবুধাবিলৈ অহা ৪ আগষ্টৰ পৰা পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব। বিমান পৰিবহন সংস্থা এয়াৰ ইণ্ডিয়াই এই সেৱা আৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰে। বৰ্তমানলৈ গুৱাহাটীৰ পৰা ইউ এ ই, থাইলেণ্ড, ছিংগাপুৰ আৰু ভূটানলৈ পোনপটীয়া বিমান সেৱা আৰম্ভ হৈছে। এই নতুন সংযোগে অসমৰ বাণিজ্য, বিনিয়োগ, পৰ্যটন আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে। অনাগত সময়ত ভিয়েটনামলৈ গুৱাহাটীৰ পৰা পোনপটীয়া বিমান সেৱা আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ বিমান যাতায়াত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ কয়।

০০০০০০

আজি বিশ্বজুৰি আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস পালন কৰা হৈছে। ১৮৯৪ চনৰ ২৩ জুনত পেৰিছত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটী গঠন কৰা হৈছিল। এই বিশেষ দিনটোকে স্মৰণ কৰি ১৯৪৮ চনৰ পৰা প্ৰতি বছৰে ২৩ জুন তাৰিখটো অলিম্পিক দিৱস হিচাপে পালন কৰি অহা হৈছে।

অলিম্পিক দিৱসৰ সৈতে সংগতি ৰাখি অসম অলিম্পিক সন্থাই আজি পুৱাই অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা এটা চাইকেল ৰেলী উলিয়ায়। মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ফ্লেগ অফ কৰা চাইকেল ৰেলীটো বেহাৰবাৰীৰে ঘূৰি লখৰা হৈ পুনৰ সৰুসজাইলৈ ঘূৰি আহে।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা চাৰে ৫ বজাত নিউয়ৰ্কৰ নিউ জাৰ্চি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নৰৱেই চেনেগালক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এই গুৰুত্বপূৰ্ণ জয়েৰে নৰৱেই বিশ্বকাপৰ পৰৱৰ্তী Round of 32 বা নকআউট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। পুৱা চাৰে ৮ বজাৰ পৰা ছান্টা ক্লা'ৰাত অনুষ্ঠিত বিশ্বকাপৰ আন এখন খেলত জৰ্ডান আলজেৰিয়াৰ মুখামুখি হৈছে।

ইপিনে, যোৱানিশা ফ্ৰান্সে ইৰাকক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত তাৰকা খেলুৱৈ কিলিয়ান এমবাপেই দুটা গ'ল কৰি নিজৰ মুঠ গ'লৰ সংখ্যা ১৬ লৈ বৃদ্ধি কৰি বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক গ'লদাতাৰ তালিকাত দ্বিতীয় স্থানলৈ উন্নীত হয়।

ইয়াৰ পূৰ্বে আমেৰিকাৰ আৰ্লিংটনত অনুষ্ঠিত গ্ৰুপ জে-ৰ আন এখন গুৰুত্বপূৰ্ণ খেলত আৰ্জেন্টিনাই অষ্ট্ৰিয়াক ২-০ গ'লত পৰাস্ত কৰে। এই জয়েৰে আৰ্জেন্টিনাই প্ৰতিযোগিতাখনৰ পৰৱৰ্তী পৰ্যায় অৰ্থাৎ ৰাউণ্ড অৱ থাৰ্টি-টু-ত নিজৰ স্থান সুনিশ্চিত কৰিছে। খেলখনত অধিনায়ক লিঅ'নেল মেছীয়ে ৩৮ মিনিটত প্ৰথমটো আৰু অতিৰিক্ত সময়ত দ্বিতীয়টো গ'ল কৰি দলৰ জয়ৰ সুনিশ্চিত কৰে। এই দুটা গ'লৰ জৰিয়তে বিশ্বকাপত মুঠ ১৮টা গ'লেৰে মেছীয়ে জাৰ্মানীৰ মিৰোশ্লাভ ক্লোজৰ ১৬টা গ'লৰ অভিলেখ ভংগ কৰি বিশ্বকাপৰ ইতিহাসৰ সৰ্বাধিক গ'লদাতা হিচাপে পৰিগণিত হয়।

০০০০০০

গুৱাহাটীৰ শ্ৰীশ্ৰীকামাখ্যা দেৱালয়ত শুভাৰম্ভ হোৱা অম্বুবাচী মহাযোগ সম্পৰ্কীয় বাতৰি আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতত বাতৰিটোৰ শীৰ্ষক **বন্ধ হৈ গ'ল কামাখ্যাৰ দুৱাৰ, অম্বুবাচী আৰম্ভ**। অসমীয়া প্ৰতিদিন কাকতত একেটা বাতৰিৰ শিৰোনাম **দেশ-বিদেশৰ ভক্ত, সাধু-সন্তৰ সমাগেমেৰে উথপথপ কামাখ্যা ধাম**। দি ছেন্টিনেল কাকতে বাতৰিটো **AMBUBACHI MELA: A CELEBRATION OF SPIRITUALITY, FEMININE POWER AND SOCIAL CONSCIOUSNESS** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰীয়ে দিলে সুখবৰ - ডুবাই, আবুধাবিলৈ গুৱাহাটীৰ পৰা পোনপটীয়াকৈ চলিব বিমান শিৰোনামেৰে এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম - অৰ্থনৈতিক বিকাশৰ শক্তিশালী কেন্দ্ৰৰূপে আত্মপ্ৰকাশৰ পথত অগ্ৰসৰ হোৱা আৰু ৰাজ্যত দুটা নতুন ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনকে ধৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত কৰা মন্তব্যক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাৰ বাতৰিৰূপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতত ব্ৰিটেইনত এটা দশকৰ ভিতৰত পঞ্চমগৰাকী প্ৰধানমন্ত্ৰীৰূপে কীৰ ষ্টাৰমাৰে পদত্যাগ কৰাৰ বাতৰি এটা প্ৰথম পৃষ্ঠাত স্থান দিয়া হৈছে।

অসমীয়া খবৰ কাকতে নতুন বিভাগৰ দায়িত্ব লাভ কৰা দুগৰাকী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পীযূষ হাজৰিকাৰ তৎপৰতাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লক্ষ্ণৌৰ এটা ক'চিং কেন্দ্ৰত হোৱা অগ্নিকাণ্ডত ১৪ গৰাকী শিক্ষাৰ্থীৰ কৰুণ মৃত্যুৰ এটা বাতৰি দৈনিক অগ্ৰদূত আৰু দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ আৰু বিজুলী-ঢেৰেকণি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ প্ৰায়বোৰ ঠাইতে মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে। আনহাতে, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কোনো কোনো অংশত মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

লোকপিয়ল প্ৰক্ৰিয়া সূচাৰুৰূপে ৰূপায়ণ কৰাৰ উদ্দেশ্যে তামুলপুৰ জিলাত আজিৰে পৰা তিনিদিনীয়াকৈ ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয়ত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত ১৪গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকৰ লগতে এগৰাকী মুখ্য প্ৰশিক্ষকে অংশগ্ৰহণ কৰিব। এই প্ৰশিক্ষণৰ জৰিয়তে ক্ষেত্ৰ প্ৰশিক্ষকসকলক লোকপিয়ল সম্পৰ্কীয় বিভিন্ন বিষয়, দায়িত্ব আৰু কাৰ্যপদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ দিয়া হ'ব। পৰৱৰ্তী সময়ত এই ১৪গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকে জিলাখনৰ গণনাকাৰী আৰু পৰ্যবেক্ষকসকলক প্ৰশিক্ষণ আগবঢ়াব।

০০০০০০

**সমাপ্ত**